১১.১০ অধিক জানিবলৈ

১) Ahuja Ram (2001): Research Methodology, Rawat Publications, New Delhi

২) Chattopadhyay, Krichnadas & Sudarshana Sen (2013):Rudiments of Social Research,Levant Books,Kolkata

৩) Kothari,C.R (2004):Research Methodology-Methods and Techniques, New Age International (P) Ltd. New Delhi

১১.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ সৰল ভাষাত নমুনাভিত্তিক অধ্যয়ন হৈছে যিকোনো বিষয়ৰ গভীৰতালৈ সোমাই কৰা অধ্যয়ন। এই পদ্ধতিৰ জৰিয়তে গৱেষণাৰ এক বৃহৎ ক্ষেত্রক সংকুচিত কৰি গৱেষণাৰ বাবে সুবিধাজনক পৰিসৰলৈ অনা হয়।

২নং প্রশ্নৰ উত্তৰ ঃ ইংৰাজ দার্শনিক ফ্রেডেৰিক লেপলেই এই পদ্ধতিৰ প্রথমবাৰলৈ আৱিষ্কাৰ কৰিছিল।

৩নং প্রশ্নৰ উত্তৰ ঃ পি ভি ইয়ঙৰ মতে, নমুনাভিত্তিক অধ্যয়ন হৈছে এক সামাজিক সমূহৰ সামগ্রিক অধ্যয়ন, এই গোট কোনো ব্যক্তি, ব্যক্তিৰ সমূহ, কোনো সংস্থা, এটা সমুদায় অথবা এটা পৰিয়ালো হ'ব পাৰে।

৪নং প্রশ্নৰ উত্তৰ ঃ

নমুনাভিত্তিক অধ্যয়নৰ চৰিটা উদ্দেশ্য-

ক) নমুনাভিত্তিক অধ্যয়নৰ সর্বপ্রথম উদ্দেশ্য হৈছে কোনো এটা একক গোটৰ আচৰণগত পদ্ধতিৰ লগতে পাৰিপার্শ্বিকতাৰ সৈতে ইয়াৰ সম্পর্ক বিশ্লেষণ কৰা।

খ) নমুনাভিত্তিক অধ্যয়নৰ আন এক গুৰুত্বপূর্ণ উদ্দেশ্য হৈছে ইয়াৰ জৰিয়তে ভৱিষ্যতৰ বাবে এক বিস্তৃত গৱেষণাৰ ভেঁটি গঢ়ি তোলা হয়। গতিকে বিষয় অধ্যয়নক তদন্তৰ প্রাথমিক প্রকাৰ আখ্যা দিব পাৰি।

গ) পৰিমাণগত অধ্যয়নৰ ক্ষেত্রত হাইপ'থেছিছ গঢ়ি তোলাৰ লগতে গৱেষণাৰ প্রশ্ন নির্ধাৰণ কৰে বিষয় অধ্যয়নে।

ঘ) গৱেষণাত সাধাৰণীকৰণ নস্যাৎ কৰিবলৈ গৱেষকে বিষয় অধ্যয়ন পদ্ধতি গ্রহণ কৰে।

৫নং প্রশ্নৰ উত্তৰ ঃ নমুনাভিত্তিক অধ্যয়নৰ চাৰিটা বৈশিষ্ট্য-

ক) নমুনাভিত্তিক অধ্যয়নত এটা ক্ষুদ্র গোটৰ অধ্যয়ন কৰা হয়।

খ) ইয়াত সমূহৰ কেতবোৰ নির্দিষ্ট চলক অথবা দিশৰ পৰিৱর্তে এক সামগ্রিক অধ্যয়ন কৰা হয়।